# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৬ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আমি এই ৰমজান মাহত চেষ্টা কৰা উচিত যাতে আমি আল্লাহ তা'লাৰ সান্নিধ্য লাভ কৰিবলৈ তাৰ আদেশ পালন কৰোঁতা হওঁ আৰু যেন সেই লোকসকলৰ মাজত অন্তৰ্ভুক্ত হওঁ যিসকলৰ দোৱা আল্লাহ তা'লাৰ ওচৰত গৃহীত হয়।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে চুৰাতুল বাকাৰা ১৮৪ নম্বৰ আয়াত তিলাওত কৰি তাৰ অনুবাদ পঢ়ি শুনায় আৰু কয় যে আল্লাহ তা'লাৰ কৃপাত আমি এই বছৰও ৰমজান মাহ পাৰ হ'বলৈ সৌভাগ্য লাভ কৰি আছো। আমি মনত ৰখা উচিত যে কেৱল ৰমজান মাহ পোৱা ছেহেৰী খোৱা আৰু ইফতাৰ কৰাই যথেষ্ট নহয় বৰং ৰোজা ৰখাৰ লগতে আমাক নিজৰ ভিতৰত পাক পৰিৱৰ্তন সাধন কৰাৰও আদেশ দিয়া হৈছে। ৰোজা সম্পৰ্কে আল্লাহ তা'লা আমাক কিছুমান আদেশ প্ৰদান কৰিছে আৰু সেই আদেশৰ ওপৰত আমল কৰাৰ ফলশ্ৰুতিত নিজৰ সান্নিধ্য প্ৰদান কৰাৰ আৰু দোৱা কবুল কৰাৰ সুসংবাদ শুনাইছে। যি আয়াত মই অলপতে তিলাওত কৰি শুনাইছো, তাত আল্লাহ তা'লা ৰোজাৰ গুৰুত্বৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে। বেমাৰ আৰু উপযুক্ত কাৰণত ৰোজা এৰি দিয়া আৰু পিছত গৈ ৰোজাৰ সংখ্যা পূৰ কৰা আৰু যদি সক্ষমতা থাকে তেন্তে ফিদিয়া দিয়াৰ আদেশ এই আয়াতত ব্যাখ্যা কৰিছে। কোৰ-আন কৰিমৰ গুৰুত্ব আৰু ইয়াৰ নাযিল হোৱা সম্পৰ্কে ব্যাখ্যা কৰি বুজোৱা হৈছে যে এই শিক্ষাৰ ওপৰত আমল কৰাটো আমাৰ বাবে হিদায়ৎ আৰু দৃঢ় ঈমানৰ মাধ্যম স্বৰূপে ভূমিকা ল'ব। আকৌ ইয়াতে আমাক এয়া সুসংবাদ দিয়া হৈছে যে হে নবী! মোৰ ভৃত্য সকলক জনাই দিয়া যে মই তেওঁলোকৰ নিচেই ওচৰত আছো, তেওঁলোকৰ দোৱা শুনিবলৈ পাওঁ আৰু সেয়া কবুল কৰো।

দোৱা কবুল হোৱাৰ বাবে (অৰ্থাৎ আল্লাহ তা'লাই দোৱা গৃহীত কৰি লোৱাৰ ক্ষেত্ৰত বান্দাৰ নিমিত্তে কিছুমান চৰ্ত নিৰ্ধাৰণ কৰি দিছে। যেতিয়া আমি সেই বিলাক চৰ্ত অনুযায়ী নিজৰ দোৱাৰ মাজত সৌন্দৰ্যতা সৃষ্টি কৰিম তেতিয়াহে আল্লাহ তা'লাক আমি নিজৰ ওচৰত আৰু নিজৰ দোৱা সমূহ শুনোতা হিচাপে পাম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই দোৱাৰ গুৰুত্ব দোৱা গৃহীত হোৱাৰ চৰ্ত দাৰ্শনিক চৰ্ত সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ কিছুমান বিবৃত্তি (উক্তি) আগবঢ়াম। কবুলিয়তে দোৱাৰ বিষয় বৃত্তান্তত এয়া মনত ৰাখিব লগীয়া কথা যে প্ৰথমে বান্দায় পদক্ষেপ ল'ব লাগিব, যেতিয়া সেয়া গৈ সীমাত উপনীত হ'ব,তেতিয়া

আল্লাহ তা'লাৰ ৰহমত আৰু প্ৰেম উদ্ধোলিত হ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে-দোৱা ইছলামৰ এটা অন্যতম গৌৰৱ আৰু মুছলমান সকলৰ বাবে ইয়াতে আছে সন্মান আৰু গৌৰৱ। দোৱা মুখতে বকবকাই থকাৰ নাম নহয় বৰং এয়া হ'ল সেই বস্তু য'ত খোদা তা'লাৰ ভয়ত হৃদয় ভৰি পৰে আৰু আত্মা দৰবাৰে খোদাৰ আস্থানত গৈ অবনত হয়। সেই অৱস্থা যাক এটা শব্দত মৃত্যু বুলিও ক'ব পৰা যায়।

কবুলিয়তে দোৱাৰ মছায়েল বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কবুলিয়তে দোৱাৰ মছায়েল আচলতে দোৱাৰ মছায়েলৰ এটা শাখা মাত্ৰ। দোৱাৰ আচল মূলভাৱ এয়া যে এজন নেক বান্দা (সাধু পুৰুষ) আৰু তাৰ প্ৰভু প্ৰতিপালকৰ মাজত এক যোগসুত্ৰৰ জন্ম হোৱা। যেতিয়া বান্দা এজনে কোনো ডাঙৰ সমস্যাত পৰি খোদা তা'লাৰ ওচৰত পূৰ্ণ বিশ্বাস আৰু পূৰ্ণ ভালপোৱা আৰু পূৰ্ণ আনুগত্যৰ সৈতে নতশীৰ হৈ গাফিলতিৰ আঁৰ ভেদ কৰি বিলীনৰ ময়দানত আগবাঢ়ি যায় আৰু খোদাৰ আস্থানত তাৰ আত্মাই মূৰ পাতি দিয়ে তেতিয়া তাৰ আকৰ্ষণীয় বলে (যি তাৰ ভিতৰত নিহিত কৰা আছে) খোদা তা'লাৰ দয়াক নিজৰ ফালে টানি লৈ আনে।

যেনেকৈ হাজাৰ হাজাৰ মজিজা (অলৌকিক ঘটনা) আম্বিয়া সকলৰ জৰিয়তে প্ৰকাশ পাইছে নাইবা যিসকলে আউলিয়া কৰামে ইমান দিনে আচৰিত আচৰিত  ঘটনা আৰু কেৰামত দেখুৱাই আহিছে। সেই বিলাকৰ আচল ভিত্তি হ'ল দোৱা। বেছি ভাগ সময়তে দোৱাৰ প্ৰভাৱতে বিভিন্ন ধৰণৰ কুদৰতি কেৰামতৰ খেল দেখুৱাই আছে।

আল্লাহ তা'লাই কৈছে যে যিজনে আমাৰ বাটত যুদ্ধ-জিহাদ কৰিব আমি তাক আমাৰ পৰিচিত বাট দেখুৱাই দিম। প্ৰথমে বান্দাক চেষ্টা প্ৰচেষ্টা কৰাৰ দায়িত্ব দিয়া হৈছে তাৰ পিছত এই দোৱা শিকোৱা হৈছে যে আমাক ছিৰাতে মুস্তাকিম (সজ বাটলৈ) হিদায়ৎ দিয়া। গতিকে মানুহে ইয়াৰ ওপৰত দৃষ্টি ৰাখি নমাজত বিনয়েৰে দোৱা কৰা উচিত। পৰজগত দৰ্শনাৰ্থে আমি ইহজগতৰ পৰাই চকু লৈ যাব লাগিব।

গতিকে এই দিনবোৰত اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ৰ দোৱা বেছিকৈ পাঠ কৰিব লাগিব। আল্লাহ তা'লাই আমাক পোন বাটত পথ প্ৰদৰ্শন কৰক। হৃদয়ক পৱিত্ৰ কৰি প্ৰকৃত ইবাদতকাৰী বনাওঁক আৰু আল্লাহ তা'লাৰ বান্দাৰ অধিকাৰ প্ৰদান কৰোঁতা বনাওঁক। বৰ্তমানে যেনেকৈ জগতে জুলুম অত্যাচাৰ পছন্দ কৰে,আমি যেন তেওঁলোকৰ  দৰে নহওঁ যে খোদা আৰু ৰছুলৰ নামত জুলুম কৰাত লিপ্ত হওঁ। কিছুমান লোকে কয় যে আমি হয়তো ইমানেই গোনাহগাৰ  (পাপীষ্ট) হৈ গৈছো যে আল্লাহ তা'লা এতিয়া আৰু আমাক ক্ষমা নকৰিব। আচলতে চয়তানে এনেকুৱা উদাসীনতা মনত ঢালি দিয়ে। হজৰত মছীহ মাওউদ (আঃ)য়ে চয়তানৰ এই আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ উপায় বৰ্ণনা কৰোঁতে কৈছে যে গোনাহ কৰোঁতাই গোনাহৰ সংখ্যাধিক্য চাই দোৱা কৰাৰ পৰা কেতিয়াও আঁতৰি থাকিব নেলাগে। যিসকলে গোনাহত ডুবি গৈ দোৱা কবুলিয়তৰ পৰা উদাস হৈ পৰে আৰু তৌবা কৰাৰ ফালে ঘূৰি নাহে অৱশেষত সেইজন ব্যক্তি আম্বিয়া আৰু তেখেতৰ প্ৰভাৱৰ অস্বীকাৰকাৰী হৈ পৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ ইলহাম 'اُجِيْبُ كُلَّ دُعَائِكَ'ৰ কথা উল্লেখ কৰি কয় যে 'كُلّ'ৰ অৰ্থ হ'ল এয়া যে যি নুশুনাৰ ফলত কষ্ট পোৱা যায়। যদি আল্লাহ তা'লা তৰবিয়ত (প্ৰশিক্ষণ) আৰু সংশোধন হোৱা বিচাৰে তেন্তে  দোৱা ৰদ্ কৰি দিয়াটোৱে কবুলিয়তে দোৱা হয়। ৰহস্য আৰু ভেদ হ'ল এয়া যে আহ্বানকাৰীৰ বাবে কল্যাণ আৰু ভালৰ দোৱা নাকচত পৰিণত হয়। আল্লাহ তা'লাই দোৱা কবুল কৰি লোৱাৰ ক্ষেত্ৰত আমাৰ সম্ভাৱনা আৰু ইচ্ছাৰ অধীন নহয়। মই নিজে এই বিষয়ে ভালদৰে অভিজ্ঞ যে দোৱাৰ মাজত যেতিয়া কোনো অংশ

ক্ষতিকাৰক আছিল তেতিয়া সেই দোৱা কেতিয়াও কবুল হোৱা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নিতৌ ডাকত মানুহৰ চিঠি আহি থাকে যে দোৱা কৰি থাকে আৰু বলেৰে এটা কাম কৰাৰ বাবে চেষ্টাও কৰি থাকে তথাপি তাৰ ফলাফল ভাল নোলায়, তেতিয়া আল্লাহ তা'লাৰ ওপৰত মনৰ পৰা অভিযোগ উঠে ? কৈছে যে প্ৰথম কথা হ'ল যে দোৱা দোৱাৰ শেষ প্ৰান্তলৈ পৌচাই দিয়া হৈছে নে নাই। যদি দোৱা চৰম সীমালৈকে পৌচাই দিয়া হৈছে,তথাপি তাৰ কোনো ফলাফল ওলোৱা নাই তেন্তে ধৰি ল'ব লাগিব যে এয়াই আল্লাহ তা'লাৰ হিকমত আছিল আৰু ইয়াতেই মানৱ কল্যাণ নিহিত আছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এয়া এটা সঁচা আৰু বিশ্বাসযোগ্য বিষয় যে আল্লাহ তা'লা নিজৰ ভৃত্যৰ দোৱা শুনে আৰু সেয়া গৃহীত হোৱাৰ সুযোগ দান কৰে কিন্তু প্ৰত্যেক অপ্ৰাসঙ্গিক বিষয়ে সুযোগ দান নকৰে কাৰণ প্ৰবৃত্তিৰ টনা আজোৰাত মানৱে তাৰ ফলাফল আৰু পৰিণতিলৈ লক্ষ্য নকৰে আৰু দোৱা কৰি থাকে। কিন্তু আল্লাহ তা'লা যিজনাই প্ৰকৃত খাতা নিৰীক্ষক আৰু পৰিণতি দেখোতা; এইবোৰ লোকচান আৰু বেয়া ফলাফলৰ প্ৰতি দৃষ্টি ৰাখি কিছুমান দোৱা বাতিল কৰি দিয়ে আৰু এই বাতিলেই তাৰ বাবে কবুলিয়তে দোৱা হৈ পৰে।

কবুলিয়তে দোৱাৰ চৰ্ত সমূহৰ ব্যাখ্যা কৰোঁতে হুজুৰ (আঃ)য়ে কৈছে যে দোৱা কৰাৰ বাবে প্ৰয়োজন হ'ল যে দোৱা কৰোঁতা জনে আল্লাহ তা'লাৰ ভয়-ভীতি দৃষ্টি পটত ৰাখিব লাগিব। বন্ধুত্ব সুলভ শান্তিকামী ভাৰ আৰু খোদা নিৰ্ভৰশীলতা নিজৰ বৈশিষ্ট বনাব লাগিব। তাকৰা (খোদা ভীতি) আৰু ঈমানদাৰীৰ জৰিয়তে আল্লাহ তা'লাক সন্তুষ্ট কৰিলেহে দোৱা কবুলিয়তৰ দুৱাৰ উন্মোচন হ'ব। আকৌ কবুলিয়তে দোৱাৰ বাবে এয়াও জৰুৰী যে মানৱে ঈমানৰ ক্ষেত্ৰত দৃঢ় হ'ব লাগিব আৰু পুণ্যবান হ'ব লাগিব। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যিজন ব্যক্তিয়ে আমলেৰে কাম নলয়,তেওঁ আচলতে দোৱা নকৰে বৰং খোদা তা'লাৰ পৰীক্ষাহে কৰে। যিজন লোকে কয় যে দোৱা যিহেতু কৰা হৈছে তাত আৰু আচবাব পত্ৰৰ কি প্ৰয়োজন! সেই নিৰ্বোধে চিন্তা কৰক যে দোৱা নিজেই এটা গোপন কাৰক যিয়ে বেলেগ আচবাবৰ জন্ম দিয়ে। اِيَّاكَ نَعْبُدُ ৰ আগত اِيَّاكَ نَسْتَعِيْنُ ত যি দোৱাৰ শব্দ আছে,সেয়াই এই বিষয় বৃত্তান্তটোৰ প্ৰকৃত ব্যাখ্যা আগবঢ়াই আছে। খোদা তা'লাৰ দুটা নাম **আজিজ** আৰু **হাকিম**ও আছে। আজিজ হ'ল যে সকলো কাম সম্পাদন কৰি দিয়া আৰু হাকিম হ'ল এয়া যে প্ৰত্যেক প্ৰজ্ঞাৰে (হিকমতেৰে) সৈতে অৱস্থা অনুযায়ী সমাধা কৰি দিয়া।

কৈছে যে তাকৱা চৰিয়তৰ মূলভাৰ আৰু মগজে চৰিয়ত বুলি ক'ব পৰা যায়। যদি সত্যৰ অনুসন্ধানী হৈ মৰ্যাদাৰ প্ৰথম খট্‌খটি আৰু মঞ্জিল ধৈৰ্য আৰু দৃঢ়তাৰে একাগ্ৰচিত্তে পাৰ হৈ যায় তেন্তে সি এই ঈমানদাৰী আৰু সত্যানুৰাগী হোৱাৰ জৰিয়তে সৰ্বোচ্চ মৰ্যাদা প্ৰাপ্ত হয়। আল্লাহ তা'লাই কৈছে যে সি মুত্তাকী সকলৰ দোৱা কবুল কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে ৰহম (দয়া)ৰ শ্ৰেণী বিভাগ বৰ্ণনা কৰোঁতে কৈছে যে ৰহম (দয়া) দুই ধৰণৰ হৈ থাকে। তাৰে এটা হ'ল ৰহমানিয়ত আনটো হ'ল ৰহিমিয়ত। ৰহমানিয়ত এনেকুৱা ঐশ্বৰিক কল্যাণ যি জমিন আৰু আচমান আৰু ভূমণ্ডল আৰু আকাশমণ্ডলীৰ সকলো বস্তুৰ আকাৰত আমাৰ জীৱন সত্তাৰ সৈতে আদিৰে পৰাই আৰম্ভ হৈছে। আনটো হ'ল ৰহিমিয়তৰ ৰহমত অৰ্থাৎ যেতিয়া দোৱা কৰো তেতিয়া আল্লাহ তা'লাই আমাক দান কৰে। এই দ্বিতীয় প্ৰকাৰৰ ৰহমে আমাক এয়া শিকায় যে মাগি থাকা, পাই থাকিব, মাগি থকা মানৱৰ বৈশিষ্ট আৰু গৃহীত কৰা আল্লাহ তা'লাৰ বৈশিষ্ট। গতিকে আল্লাহ তা'লাৰ অনুগ্ৰহৰাজিৰ সন্মান কৰা আৰু সেইবোৰ কামত লগোৱা। কুদৰতৰ বিধানত কবুলিয়তে দোৱাৰ দৃষ্টান্ত বিদ্যমান আছে আৰু প্ৰত্যেক যুগতেই খোদা তা'লা সজীৱ

দৃষ্টান্ত প্ৰেৰণ কৰি থাকে,সেই কাৰণেই সি اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ৰ দোৱাৰ শিক্ষা দিছে।

দোৱাৰ বিষয়টো লৈয়ে নমাজৰ উদ্দেশ্য আৰু গুৰুত্ব বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে নমাজৰ আচল উদ্দেশ্য আৰু মূলভাৰ হ'ল দোৱা; আৰু দোৱা প্ৰাৰ্থনা কৰা কুদৰতৰ বিধানভুক্ত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উক্ত কথাবোৰ মই হজৰত মছীহ মাওউদ (আঃ)য়ে আগবঢ়োৱা মহান লিপিৰ ভঁৰালৰ পৰা লৈ আনি আগবঢ়ালো। যিবোৰৰ ওপৰত আমল কৰিলে আমি আল্লাহ তা'লাৰ কৃপা লাভ কৰিবলৈ সক্ষম হ'ব পাৰিম। পাকিস্তান আৰু আলজেৰিয়াত আহমদী সকলৰ ওপৰত যিবোৰ দুঃখ কষ্ট জাপি দিয়া হৈছে সেইবোৰৰ পৰা মুক্তি লাভ কৰাৰ বাবে আমি সকলোৱে দোৱা কৰা উচিত। বেলেগৰ বাবে দোৱা কৰোঁতা জনলৈ ফিৰিস্তাই দোৱা কৰে। গতিকে এয়া হ'ল মুনাফা বহুল ক্ৰয়-বিক্ৰয়। এয়া আমি সদায় এটা আদৰ্শ হিচাপে মনত ৰখা উচিত। আল্লাহ তা'লা চলিত ৰমজান মাহত বিশেষ ভাৱে এই আদৰ্শ নক্সাৰ ওপৰত আমল কৰিবলৈ আমাক সৌভাগ্য দান কৰক। আমীন-

اَلۡحَمۡدُ لِلّٰهِ نَحۡمَدُهٗ وَنَسۡتَعِيۡنُهٗ وَنَسۡتَغۡفِرُهٗ وَنُؤۡمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيۡهِ وَنَعُوۡذُ بِاللّٰهِ مِنۡ شُرُوۡرِ اَنۡفُسِنَا
وَمِنۡ سَيِّئَاتِ اَعۡمَالِنَا مَن يَّهۡدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنۡ يُّضۡلِلۡهُ فَلاَ هَادِيَ لَهُ وَنَشۡهَدُ أَنۡ لَاۤ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشۡهَدُ اَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأۡمُرُ بِالۡعَدۡلِ وَالۡاِحۡسَانِ وَاِيۡتَآءِ ذِی الۡقُرۡبٰی
وَيَنۡهٰی عَنِ الۡفَحۡشَآءِ وَالۡمُنۡكَرِ وَالۡبَغۡيِ يَعِظُكُمۡ لَعَلَّكُمۡ تَذَكَّرُوۡنَ اُذۡكُرُوا اللّٰهَ يَذۡكُرۡكُمۡ وَادۡعُوۡهُ يَسۡتَجِبۡ
لَكُمۡ وَلَذِكۡرُ اللّٰهِ اَكۡبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 16 APRIL 2021**

# BOOK POST (PRINTED MATTER)

TO,

.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................
.................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**